অধ্যায় ৬ বিৰিঞ্চি কুমাৰ বৰুৱা – জীৱন আৰু কৃতি

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ বিৰিঞ্চি কুমাৰ বৰুৱাঃ জীৱন আৰু কৃতি

৬.৪ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি–

- বিৰিঞ্চি কুমাৰ বৰুৱা আৰু তেওঁৰ উপন্যাসৰ পৰিচয় লাভ কৰিব পাৰিব
- বিৰিঞ্চি কুমাৰ বৰুৱাৰ কর্ম জীৱন আৰু ৰচনা কৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ দুটা অধ্যায়ত আপুনি ৰজনীকান্ত বৰদলৈ আৰু তেওঁৰ *মিৰি জীয়ৰী* উপন্যাস সম্পর্কে অধ্যয়ন কৰিলে। সেই আলোচনাৰ জৰিয়তে অসমীয়া সামাজিক উপন্যাসৰ প্রাথমিক ধাৰাৰ বিষয়ে অৱগত হৈছে।

এই অধ্যায়ত বিশিষ্ট সাহিত্যিক আৰু ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু সাহিত্যকৃতি সম্পর্কে আলোচনা কৰা হ'ব। লগতে তেওঁৰ উপন্যাসসমূহৰ সাধাৰণ বৈশিষ্ট্য, সমাজচেতনা আৰু সাহিত্যিক অৱদানৰ বিষয়েও আলোকপাত কৰা হ'ব।

৬.৩ বিৰিঞ্চি কুমাৰ বৰুৱাঃ জীৱন আৰু কৃতি

বিৰিঞ্চি কুমাৰ বৰুৱা আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি জগতৰ এটি স্মৰণীয় নাম। এই গৰাকী প্রাতঃ স্মৰণীয় ব্যক্তিৰ জন্ম হৈছিল ১৯০৮ চনৰ ১৬ অ:্টোবৰ তাৰিখে নগাঁও জিলাৰ পুৰণিগুদামত। তেওঁ আছিল কানাই আতাৰ বংশধৰ তথা খৰঙী বৰুৱাৰ পৰিয়ালৰ লোক। বিৰিঞ্চি কুমাৰ বৰুৱাৰ দেউতাকৰ নাম আছিল বিজয়ৰাম বৰুৱা আৰু মাতৃৰ নাম আছিল লীলাৱতী বৰুৱা। এওঁলোকৰ ছয় গৰাকী পুত্র-কন্যাৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা আছিল চতুর্থ সন্তান।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ শিক্ষা জীৱন আৰম্ভ হয় নগাঁও মিছন স্কুলত। পিছত নগাঁও সদৰ মজলীয়া স্কুলত শিক্ষা সাং কৰি ১৯২০ চনত চৰকাৰী হাইস্কুলত তৃতীয় শ্ৰেণীত নাম ভর্তি কৰে। এই স্কুলৰ পৰা ১৯২৮ চনত সুখ্যাতিৰে প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তৰ্ীণ হৈ তেওঁ উচ্চ শিক্ষাৰ বাবে কলিকতাৰ প্ৰেচিডেন্সী কলেজলৈ পঢ়িবলৈ যায়। কলিকতাত তেওঁ ইডেন ছাত্ৰাবাসত থাকিবলৈ লয়। ১৯৩০ চনত প্ৰথম বিভাগত আই.এ. আৰু দুবছৰ পিছত পালি ভাষাত সন্মানসহ (অনার্চ) স্নাতক ডিগ্ৰী লাভ কৰি তেওঁ 'ইছান বৃত্তি' (Ishan Scholarship) লাভ কৰিবলৈ সক্ষম হয়। এই বৃত্তি লাভ কৰি তেওঁ কলিকতা বিশ্ববিদ্যালয়ত পালি ভাষাত এম.এ. পঢ়িবলৈ লয়। ১৯৩৪ চনত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ তেওঁ এম.এ. পাছ কৰে।

পালি ভাষা আৰু সাহিত্য বিষয়ত সুখ্যাতিৰে এম.এ. পাছ কৰাৰ পিছত বৰুৱাই কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতি বিষয়ত অধ্যয়ন কৰিবলৈ লয়। লগতে তেওঁ আইন বিষয়ো পঢ়িবলৈ লয়। আইনৰ স্নাতক হোৱাৰ লগতে বৰুৱাই সাহিত্যৰ ক্ষেত্ৰতো নিজকে নিয়োজিত কৰে। সেই সময়ত আৱাহন আলোচনীত তেওঁ বীণা বৰুৱা আৰু কবিতা বৰুৱা ছদ্মনামেৰে গল্প লিখিবলৈ আৰম্ভ কৰে।

কলিকতাৰ কলেজত আই.এ. আৰু বি.এ. শ্ৰেণীত অসমীয়া বিষয়টো অন্তভুৰ্ক্তিৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা কলিকতা বিশ্ববিদ্যালয় কতৃৰ্পক্ষৰ ওচৰত আবেদন-নিবেদন কৰা হৈছিল। এই দাবী উত্থাপনৰ ক্ষেত্ৰত বিৰিঞ্চি কুমাৰ বৰুৱাই আগভাগ লৈছিল। বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰমুখ্যে অসমীয়া ছাত্ৰসকলৰ চেষ্টাত কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া বিষয়টো স্নাতক মহলা পৰ্যন্ত অন্তৰ্ভুক্ত হোৱাত বিশ্ববিদ্যালয় কতৃৰ্পক্ষই বিৰিঞ্চি কুমাৰ বৰুৱাক আধুনিক ভাৰতীয় ভাষাৰ প্ৰবক্তা ৰূপে নিয়োগ কৰে। আনহাতে ১৯৩৭ চনত পালি ভাষাৰ অংশকালীন প্ৰবক্তা ৰূপে বিশ্ববিদ্যালয়ে তেওঁক নিযুক্তি দিয়ে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰচেষ্টাতে ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীত অসমীয়া বিষয়টো অন্তৰ্ভুক্ত হয়।

১৯৩৮ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখে বিৰিঞ্চি কুমাৰ বৰুৱাই কটন কলেজত নিযুক্তি লাভ কৰে। কটন কলেজত অধ্যাপক হিচাপে যোগদান কৰাৰ পিছত বৰুৱাই অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আদিৰ ক্ষেত্ৰত নিজকে একান্তভাৱে নিয়োজিত কৰে।

অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে বহুদিনৰে পৰা চিন্তা-চর্চা চলি আছিল। গোপীনাথ বৰদলৈৰ নেতৃত্বত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ আন্দোলন গঢ়ি উঠে। বিৰিঞ্চি কুমাৰ বৰুৱাই এই আন্দোলনত ঘনিষ্ঠভাৱে জড়িত হৈ পৰে। বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে আন্দোলন চলি থকা কালতেই ১৯৪৫ চনত বৰুৱা উচ্চ শিক্ষাৰ বাবে লণ্ডনলৈ যায়। লণ্ডন বিশ্ববিদ্যালয়ৰ অধীনস্থ London School of Oriental and African Studiesত অধ্যয়ন আৰু গৱেষণাৰ বাবে বৰুৱাক লণ্ডন বিশ্ববিদ্যালয়ে ১৯৪৮ চনত ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। তেওঁৰ গৱেষণা গ্ৰন্থখন পিছত ট্ৰ Cultural History of Assam (Early Period) Vol-I নামেৰে প্ৰকাশ পায়।

১৯৪৮ চনৰ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হয় আৰু সেই বছৰতে ৰ ডিচেম্বৰত বিশ্ববিদ্যালয়ত অসমীয়া বিষয়টো স্নাতকোত্তৰ শ্ৰেণীত আৰম্ভ কৰা হয়। ৰ ডিচেম্বৰ তাৰিখে বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত ৰিডাৰ ৰূপে যোগদান কৰে। ১৯৫০ চনত ৰ

ফেব্রুৱাৰী তাৰিখে বিৰিঞ্চি কুমাৰ বৰুৱা বিশ্ববিদ্যালয়ৰ শ্রেণীসমূহৰ সচিব নিযুক্ত হয়। সচিবৰ দায়িত্ব পালন কৰাৰ উপৰি তেওঁ নিয়মীয়াভাৱে স্নাতকোত্তৰ শ্রেণীৰ পাঠদানো কৰিছিল। ১৯৫২ চনত অসমীয়া বিভাগৰ প্রধান অধ্যাপক বাণীকান্ত কাকতিৰ অকাল মৃত্যু ঘটাত বিৰিঞ্চি কুমাৰ বৰুৱাই মুৰব্বী অধ্যাপক ৰূপে নিযুক্তি পায়। ১৯৫৩ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু (Dean of Arts) ৰূপে মনোনীত হয়। বিৰিঞ্চি কুমাৰ বৰুৱাই ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে অতি দক্ষতাৰে সাহিত্য চর্চা কৰিছিল। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি সম্বন্ধে ইংৰাজী ভাষাত ৰচনা কৰা গ্রন্থকেইখন হ'ল– ট্ৰ Cultural History of Assam (Early period Vol-I), Assamese Literature, Studies in Early Assamese Literature, Modern Assamese Literature, History of Assamese Literature, Sankardeva, Vaisnava Saint of Assam, Early Geography of Assam.

অসমীয়া ভাষাত ৰচনা কৰা বিৰিঞ্চি কুমাৰ বৰুৱাৰ গ্রন্থসমূহ হ'ল– অসমীয়া ভাষা, অসমীয়া ভাষা আৰু সংস্কৃতি, অসমৰ লোক-সংস্কৃতি, বৌদ্ধ ধর্ম আৰু সাহিত্য, অসমীয়া কথা-সাহিত্য (পুৰণিভাগ), কাব্য আৰু অভিব্য?না, চুইজাৰলেণ্ডৰ ভ্রমণ, প্রফেচৰ বৰুৱাৰ চিঠি, দেশ-বিদেশৰ সাধু। তেওঁৰ দ্বাৰা সম্পাদিত পুথিসমূহৰ ভিতৰত শঙ্কৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ অঙ্কীয়া নাটসমূহৰ সংকলন অঙ্কীয়া নাট, অৰুণোদই যুগৰ সাহিত্য সম্পর্কে সম্পাদিত গ্রন্থ অৰুণোদয়ৰ ঢলফাট, বৰ্ৰুৱাহনৰ যুদ্ধ আৰু তাম্রধ্বজৰ যুদ্ধ, মনসা কাব্য, শ্রীৰাম আতা আৰু ৰমানন্দৰ গীত, শক্র?য়, মধুমালতী, অদ্ভুত ৰামায়ণ আদি উল্লেখযোগ্য। আনহাতে, বৰুৱাই ৰবীন্দ্রনাথৰ চিত্রাঙ্গদা একে নামেৰে অসমীয়ালৈ অনুবাদ কৰে।

বিৰিঞ্চি কুমাৰ বৰুৱাই ছদ্মনামেৰে দুখন উপন্যাস ৰচনা কৰে। বীণা বৰুৱা ছদ্মনামেৰে জীৱনৰ বাটত আৰু ৰাস্না বৰুৱা ছদ্মনামেৰে সেউজী পাতৰ কাহিনী। আনহাতে বীণা বৰুৱা ছদ্মনামেৰেই তেওঁ আঘোণী বাই আৰু পট পৰিৱর্তন নামৰ গল্পপুথি দুখন ৰচনা কৰে। বীণা বৰুৱাই ৰচনা কৰা একমাত্র নাটকখন হ'ল এবেলাৰ নাট।

স্কুলীয়া ছাত্র-ছাত্রীৰ বাবে বিৰিঞ্চি কুমাৰ বৰুৱাই ভালেকেইখন পুথি ৰচনা তথা সম্পাদনা কৰি উলিয়ায়। ভাৰত বুৰঞ্জী, বুৰঞ্জী কথা, সাহিত্য সৌৰভ, কবিতা কুঞ্জ আদি স্কুলীয়া ছাত্র-ছাত্রীৰ উপযোগী পুথি। এইবোৰৰ উপৰি অকণ, ৰংঘৰ, অসম সাহিত্য সভা পত্রিকা, ইউনিভাৰচিটি জার্নেল, Journal of the Assam Research Society আদি বৌদ্ধিক কর্মৰ লগত বিৰিঞ্চি কুমাৰ বৰুৱা প্রত্যক্ষভাৱে জড়িত আছিল। তেওঁ ১৯৬০ চনত Assam Academy for Cultural Relations স্থাপন কৰাৰ ক্ষেত্রত অগ্রণী ভূমিকা গ্রহণ কৰিছিল। ১৯৬১ ভাৰতীয় সাংস্কৃতিক আঁচনিৰ প্রতিনিধি ৰূপে তেওঁ ছোভিয়েট ৰাছিয়ালৈ গৈছিলে। ১৯৬৩ চনত তেওঁ মার্কিন যুক্তৰাষ্ট্রৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি সংস্থানৰ অতিথি অধ্যাপক ৰূপে যোগদান কৰিছিল। অসমৰ লোক সংস্কৃতি নামৰ গৱেষণামূলক গ্রন্থৰ বাবে তেওঁ মৰণোত্তৰভাৱে সাহিত্য অকাদেমি বঁটা লাভ কৰে। ১৯৬৪ চনৰ মার্চ মাহৰ ৩০ তাৰিখে ৫৬ বছৰ বয়সত এই গৰাকী কৃতবিদ্য অসম-সন্তানৰ মৃত্যু হয়।

৬.৪ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

গ্ৰাম্য সভ্যতা আৰু নগৰীয়া সভ্যতাৰ মাজত থকা সংঘাত বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা উপন্যাস কেইখনৰ এটা চকুত লগা সাধাৰণ বৈশিষ্ট্য। সেই সংঘাত প্ৰদৰ্শন কৰাৰ বেলিকা তেওঁ চৰিত্ৰৰ সহায় লৈছে। গ্ৰাম্য সভ্যতা সহজ-সৰল জীৱন্ত চিন্তাৰ প্ৰতিভূ। আনহাতে, নগৰীয়া সভ্যতা লোভ আৰু কূটিলতাৰ জীৱন্ত দলিল। জীৱনৰ বাটত উপন্যাসখনত এই সংঘাত তগৰ আৰু কমলাকান্তৰ আধৰুৱা প্ৰেম, কমলাকান্তৰ বিশ্বাসঘাতকতা আৰু পুলিচ থানাত তগৰৰ অপমান– এই চিত্ৰসমূহৰ মাজেদি গ্ৰাম্য জীৱনৰ সৰলতা নগৰীয়া জীৱনৰ চিন্তাৰ কুৰূপতা আৰু স্বাৰ্থপৰতাৰ কবলত পৰি কিদৰে বিধবস্থ হৈছে তাৰ মাৰ্মিক ৰূপ ফুটি উঠিছে।

শোষিত, বঞ্চিতজনৰ আৰ্ত বেদনাৰ মৰ্মস্পৰ্শী অভিব্যক্তি বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ এটা অন্যতম বৈশিষ্ট্য। জীৱনৰ বাটত সেই বাটৰ খলা-বমাই বিধবস্থ কৰা তগৰে গ্ৰহণ কৰা সহনশীল স্থিতিৰ বিপৰীতে সেউজী পাতৰ কাহিনীৰ ছনিয়াই দুঃসাহসী স্থিতি গ্ৰহণ কৰিছে। তাই শোষণ আৰু বঞ্চনাৰ জীৱন্ত প্ৰতীক। কিন্তু সেই শোষক গোষ্ঠীৰ বিৰুদ্ধে থিয় হ'বলৈ তাই সাহস কৰিছে। ইয়াতেই তাইৰ চৰিত্ৰৰ সবল স্থিতি ঘোষিত হৈছে।

দুয়োখন উপন্যাসতে কেন্দ্ৰীয় নাৰী চৰিত্ৰ দুটি পুৰুষৰ হাতত লাঞ্ছিত হৈছে। পাৰ্থক্য মাথোন ইমানেই যে তগৰ তাইৰ প্ৰেমাস্পদৰ দ্বাৰা প্ৰতাৰিত হৈছে আৰু ছনিয়া শোষক শ্ৰেণীৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ এটাৰ বাসনাৰ পৰিণতি। তগৰে স্বভাৱজাত ধৈৰ্যশীলতাৰে পৰিস্থিতিৰ চাকনৈয়াত পৰিও নিজৰ অস্তিত্ব অটুট ৰাখিবলৈ চেষ্টা কৰিছিল, যদিওবা সময়ে তাইক অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন কৰালে। কিন্তু ছনিয়া বেলেগ ধাতুৰে গঢ়া গাভৰু। তাই পুৰুষৰ কূটিলতা আৰু লালসাপূৰ্ণ দৃষ্টিৰ লগত ভালদৰেই পৰিচিত আছিল। সেয়েহে তাই তগৰৰ দৰে 'সহনশীলা বসুমতী'ৰ ৰূপ ধাৰণ নকৰি প্ৰচণ্ড ৰূপ ধাৰণ কৰিবলৈকো কুণ্ঠিত হোৱা নাছিল।

সংস্কৃতিৰ সাধক তথা গৱেষক পণ্ডিত বিৰিঞ্চি কুমাৰ বৰুৱা তেওঁৰ ছদ্মনাম বীণা বৰুৱা হিচাপে লিখা উপন্যাস জীৱনৰ বাটতখনত ভুমুকি নমৰাকৈ থকা নাই। উপন্যাসখনত আৰম্ভণিৰে পৰা অসমৰ গ্ৰাম্য সমাজৰ সুবাষ বিয়পি আছে। বৰ নিমজ প্ৰভাৱশাৰী বৰ্ণনাভঙ্গীৰে তেওঁ যি পৰিৱেশ-পৰিস্থিতিৰ বিৱৰণ দিছে সিয়ে পাঠকৰ মনত এখন চিনাকি অসমীয়া গাঁৱৰ ছবি উদ্ভাসিত কৰে। গ্ৰাম্য জীৱনত সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ মাজত থকা পৰস্পৰ সহযোগিতা আৰু সহৃদয়তাৰ ভাব, নাৰী সমাজৰ বিশ্বাস-অন্ধবিশ্বাস, হিংসা-অসূয়া তথা পৰস্পৰৰ প্ৰতি পোষণ কৰা গোপন প্ৰতিযোগিতাৰ মনোভাব ইত্যাদি মনোগ্ৰাহী ৰূপত প্ৰকাশ পাইছে। লোকমনক আচ্ছন্ন কৰি থকা বিশ্বাস-পৰম্পৰাসমূহেই তেওঁবিলাকৰ জীৱন-চৰ্যাৰ ভিত্তি স্বৰূপ। ঔপন্যাসিক গৰাকীয়ে লোক জীৱনৰ এই সূক্ষ্ম দিশসমূহৰ চিত্ৰণত পাৰদৰ্শিতাৰ পৰিচয় দিছে।

মানৱতাবাদ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ অন্য এটা লক্ষণ। বাস্তৱ জীৱনৰ কুটিলতা আৰু পঙ্কিলতাৰ মাজতো আশা আৰু মহৎ চিন্তা বৰ্তি থাকে। জটিল সময়ে সেই আশা মষিমূৰ কৰিব নোৱাৰে। সেয়েহে তগৰৰ নিচিনা দুখী নাৰীয়েও ভৱিষ্যতৰ উমাল সপোন এটা বুকুত অহৰহ কঢ়িয়াই ফুৰে। সেয়েহে হয়তো অদৃষ্টত বিশ্বাসী তগৰেও মেঘাচ্ছন্ন আকাশত অকস্মাতে ভুমুকি মৰা

এচেৰেঙা ৰ'দৰ দৰে শাহুৰেকৰ মৰম পাবলৈ সক্ষম হৈছিল। এয়া জীৱনৰ অকৃত্রিম উমাল অনুভূতি যাক শোক-ৰোগ ক্লিষ্ট মানৱে ক্ষন্তেকৰ বাবে অনুভৱ কৰে।

সমাজ বাস্তৱতা চিত্রণ কৰাত বিৰিঞ্চি কুমাৰ বৰুৱাই সূক্ষ্মদর্শী চিন্তাৰ পৰিচয় দিছে। অতীত হ'বলৈ ধৰা সমাজখন আৰু বতমানত স্থিতি লভা সমাজ–এই দুয়োখন সমাজৰ মাজত সংঘটিত হোৱা সংঘাতপূর্ণ পৰিস্থিতি, তাৰ পৰিণতি আৰু দীর্ঘকালীন ফলাফলে সমাজ জীৱনক কিদৰে দুর্বিষহ কৰি তোলে তাৰ বাস্তৱ চিত্র অংকন কৰিবলৈ সমর্থ হৈছে। সমাজৰ চলমান প্রবাহটোক আমি কোনেও ধৰি ৰাখিব নোৱাৰো। কিন্তু তাৰ মাজটো মূল্যবোধ সংৰক্ষণ কৰাতো মানুহ হিচাপে আমাৰ পৰম কর্তব্য। তগৰ চৰিত্রই যেন এই মূল্যবোধ ৰক্ষা কৰিবলৈ যাওঁতেই বাস্তৱতাৰ কুটিলতাৰ গ্রাসত পৰি কক্‌বকাইছে।

কম-বেছি পৰিমাণে ঔপন্যাসিক বৰুৱাই তেওঁৰ উপন্যাসত ৰাজনৈতিক উপাদান সন্নিৱিষ্ট কৰিছে। ধৰণী মাষ্টৰে স্বাধীনতা সংগ্রামত জঁপিয়াই পৰা কথাটোৱে এই দিশটোৰ প্রতিও আমাৰ দৃষ্টি আকর্ষণ কৰে। পিছে ঔপন্যাসিকে ব্যক্তি জীৱনক প্রভাৱিত কৰা যি ৰাজনৈতিক ঘটনা-পৰিস্থিতি চিত্রত কৰিছে তাত তেওঁৰ নির্মোহ বিশ্লেষণাত্মক ৰাজনৈতিক দৃষ্টিভঙ্গী ফুটি উঠিছে। স্বৰাজ লাভৰ হাবিয়াহ সকলোৰে। পিছে সেই স্বৰাজ লাভৰ পথত বা গ্রাম্য সমাজৰ নিঃস্বসকলক স্বাৱলম্বী হোৱাৰ যি সপোন মহাত্মা গান্ধীয়ে দেখিছিল সেই সপোনৰ ছন্দ ক'ৰবাত হেৰাই গৈছিল। লোভ, স্বার্থপৰতা আৰু ভোগবাদী মানসিকতাই সেই সপোন বাস্তৱায়িত হোৱাত বাধা দিছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১

বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু কৃতিৰ চমু লেখ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

t চিন্তা-চর্চা কৰক – ৬.১

বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস জীৱনৰ বাটত আৰু সেউজী পাতৰ কাহিনীৰ আলোচনাৰ মাজেদি তেওঁৰ উপন্যাস ৰচনাত প্রতিফলিত অসমীয়া নগৰীয়া জীৱনৰ ভাল-বেয়া সকলো দিশ খৰচি মাৰি আলোচনা কৰক।

2 ৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা-সাহিত্য-সংস্কৃতিৰ অধ্যেতা গৱেষক পণ্ডিত বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু কৃতিৰ আলোচনাই এই গৰাকী কৃতবিদ্য ব্যক্তিৰ কৃতিৰ লগত আমাক পৰিচয় কৰালে।

- অসমীয়া সামাজিক উপন্যাসক দৃঢ়তাৰে প্ৰতিষ্ঠা কৰাত বৰুৱাৰ অৱদান অনস্বীকাৰ্য। তেওঁৰ দ্বাৰা ৰচিত উপন্যাসৰ সংখ্যা মাত্ৰ দুখন– জীৱনৰ বাটত আৰু সেউজী পাতৰ কাহিনী। প্ৰথমখন অসমীয়া সমাজ জীৱন আধাৰিত আৰু দ্বিতীয়খন চাহ জনজাতিৰ জীৱন আধাৰিত।
- গ্ৰাম্য সৰলতাৰ পৰা নগৰীয়া কুটিলতা আৰু জটিলতালৈ বিৱৰ্তনৰ যি মৰ্মস্পৰ্শী ইতিহাস সেয়াও যেন জীৱনৰ বাটত উপন্যাসখনৰ মাজেদি বিধৃত হৈছে।

৬.৬ অধিক জানিবলৈ

ঠাকুৰ, নগেন (সম্পা.) (২০০০); এশ বছৰৰ অসমীয়া উপন্যাস; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (২০০৬); কথা বৰেণ্য ১০০; গুৱাহাটী ঃ কথা প্ৰকাশ।
নেওগ, মহেশ্বৰ (২০০০); অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
ভৰালী, শৈলেন (২০০৩); উপন্যাস বিচাৰ আৰু বিশ্লেষণ; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
ভৰালী, শৈলেন (২০০৪); মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
মজুমদাৰ, বিমল (২০১১); সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
শৰ্মা, গোৱিন্দ প্ৰসাদ (১৯৯৫); উপন্যাস আৰু অসমীয়া উপন্যাস; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।
শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৭); অসমীয়া উপন্যাসৰ গতিধাৰা; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।
শৰ্মা, শশী (২০০৪); সাহিত্যত আধুনিকতা; নলবাৰী ঃ জাৰ্নেল এম্প'ৰিয়াম।

৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰঃ

বিৰিঞ্চি কুমাৰ বৰুৱাৰ চমু পৰিচয়... ...তেওঁ পিতৃ-মাতৃ পৰিচয়... ...শিক্ষা জীৱন... ...কৰ্ম জীৱন... ...তেওঁ লাভ কৰা পুৰস্কাৰ আৰু সন্মানজনক উপাধিৰ উল্লেখ... ...তেওঁৰ কৃতিসমূহৰ চমু লেখ।

৬.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু কৃতিৰ পৰিচয় আগবঢ়াওক।

প্ৰশ্ন ২ বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা উপন্যাসকেইখনৰ আধাৰত তেওঁৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।